# **গৌহাটী উচ্চ ন্যায়ালয়**

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**গোচৰ নং : আৰ.এছ.এ. ৪৬/২০১৪**

চুফিয়া খাতুন

স্বামী- নূৰ হোছেইন,

গাঁও- কুকাৰপাৰ, মৌজা সৰুক্ষেত্ৰী,

আৰক্ষী থানা- সৰ্থেবাৰী,

জিলা- বৰপেটা, অসম।

-বনাম-

জাহানাৰা বেগম আৰু অন্যান্য ৮ জন

স্বামী-আব্দুল ৰউফ

২) আব্দুল ৰউফ

পিতা- মৰহুম ওহুফাৰ আলী

দুজনৰ গাওঁ- চেঙা মুসলমানপাৰা

মৌজা-চেঙা

থানা তাৰাবাৰী

জিলা বৰপেটা

অসম

৩) হজৰত আলী

পিতা- মৃত মকবুল শেখ

৪) মালেক আলী

পিতা-আহমেদ আলী

৫) সাহেদ আলী

পিতা-টন্সেৰ আলী

৬) হালিম আলী

পিতা- -ঐ-

৭) মাসাদ আলী

পিতা-ওহেড বক্স

৮) মতিউৰ ৰহমান

পিতা-ওমৰ আলী

৯) মোকশেদ আলী

পিতা- -ঐ-

১০) মুসলিম আলী

পিতা- -ঐ-

১১) সমৰুদ্দিন

পিতা- -ঐ-

১২) হায়াত বক্স

পিতা-জন বক্স

সকলোৰে গাওঁ- কুকাৰপাৰ

মৌজা-সৰুক্ষেত্ৰী

থানা-সৰ্থেবাৰী

জিলা-বৰপেটা (অসম)

আবেদনকাৰীৰ অধিবক্তা: শ্ৰী এম. এ. শেখ

প্ৰতিপক্ষসকলৰ অধিবক্তা: শ্ৰী এ. কে. আজাদাৰ-২

**<u>মহামহিম ন্যায়াধীশ দেৱাশীস বৰুৱাৰ আদালত</u>**

**<u>ৰায়</u>**

তাৰিখ: ৩১.১১.২০২১

আবেদনকাৰীৰ হে বিজ্ঞ অধিবক্তা শ্ৰী এম.এ. শেখৰ যুক্তি শুনা হ'ল। লগতে অপৰপক্ষক প্ৰতিনিধিত্ব কৰি বিজ্ঞ অধিবক্তা শ্ৰী এ.চি. শৰ্মা আৰু তেওঁক সহযোগ কৰা শ্ৰী বি. হালদাৰৰে দাঙি ধৰা যুক্তিও শুনা হ'ল।

২) ৮/৮/২০১৪ তাৰিখৰ আদেশৰ জৰিয়তে আইনৰ যি দুটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছিল সেই দুটা এই আদালতে তলত উল্লেখ কৰে:-

১) ৩নং বিচাৰ্য্য বিষয়ত লিপিবদ্ধ প্ৰাপ্ত তথ্য যে ১নং মোকাবিলা বিবাদীৰ বিবাদীয় জমি বিক্ৰী কৰাৰ বাবে সেই জমিৰ দখল ভোগৰ কোনো স্বত্ব, স্বামীত্ব আৰু স্বাৰ্থ নথকা বিষয়টো গোচৰৰ নথিত থকা সাক্ষ্যৰ বিৰুদ্ধ নেকি?

২) ২নং বিবাদীয়ে ১নং মোকাবিলা বিবাদীৰ নামত জমি বেনামিভাৱে ক্ৰয় কৰাৰ গইনা লৈ গোচৰীয় জমিৰ ওপৰত কোনো অধিকাৰ দাবী কৰিব পাৰে নেকি?

৩) এই গোচৰৰ সৈতে জড়িত বিবাদসমূহৰ বিচাৰৰ বাবে আইনৰ কোনো গুৰুত্বপূৰ্ণ প্ৰশ্ন আছে নেকি যিয়ে বিবাদৰ বিষয়বস্তুক প্ৰভাৱিত কৰিব পাৰে, তাৰ

উত্তৰ দিয়াৰ উদ্দেশ্যে এই গোচৰৰ চমু তথ্যসমূহ এই গোচৰৰ নথিত উল্লেখ কৰাটো প্ৰয়োজনীয়।

৪) আপীলকাৰীয়ে তফছিল–'খ'ৰ মাটিৰ পৰা ১নং আৰু ২নং বিবাদীক উচ্ছেদ কৰি সেই মাটিৰ ওপৰত তেওঁৰ স্বত্ব, স্বামীত্ব, স্বাৰ্থ ও খাছ দখলৰ ঘোষণাৰে ডিক্ৰী জাৰি, স্থায়ী নিষেধাজ্ঞা জাৰি ও বাতোৱাৰা আদি বিচাৰি গোচৰ দাখিল কৰিছিল। বাদী হিচাপে আপীলকাৰীৰ গোচৰৰ বিষয়বস্তু হ'ল যে আপীলকাৰীয়ে ৫/৮/২০০২ তাৰিখে পঞ্জীয়ন কৰা বিক্ৰী দলিল নং ১৯০২/২০০২ ৰ জৰিয়তে ১নং মোকাবিলা বিবাদীৰ পৰা নিৰ্ধাৰিত মূল্যত আৰ্জিৰ 'খ' তফছিলত বৰ্ণনা কৰা এটুকুৰা মাটি ক্ৰয় কৰিছিল আৰু তাৰ পিছত ৬/৮/২০০২ তাৰিখে তেওঁক দখল প্ৰদান কৰা হৈছিল। তাৰ পিছত আপীলকাৰীয়ে উক্ত 'খ' তফছিলৰ মাটি তেওঁৰ নামত নামজাৰি কৰাই দখল ভোগ কৰি আছিল। কিন্তু ৭/১/২০০৩ তাৰিখে গোচৰৰ ১নং মোকাবিলা বিবাদীৰ পিতৃ ২নং বিবাদীয়ে আপত্তি দাখিল কৰাৰ বাবে আপীলকাৰীৰ নামজাৰি বাতিল কৰা হয়। তাৰপিছত ১/৯/১৯৯২ তাৰিখে মূল বিবাদীসকলে উক্ত 'খ' তফছিলত বিশেষভাৱে বৰ্ণনা কৰা মাটিৰ এটা অংশৰ পৰা বাদীসকলক উচ্ছেদ কৰিছিল আৰু তাত এটা তম্বু স্থাপন কৰিছিল। এনেকুৱা পৰিস্থিতিতেই ওপৰত উল্লেখ কৰা ধৰণে সকাহ বিচাৰি উক্ত গোচৰ দাখিল কৰা হৈছিল।

৫) ১নং আৰু ২নং বিবাদীয়ে যৌথভাৱে লিখিত জবাব দাখিল কৰিছিল য'ত তেওঁলোকে অভিযোগ কৰিছিল যে ৮/১১/২০০০ তাৰিখৰ পঞ্জীয়নভুক্ত ২৪৯৯/২০০০ নং বিক্ৰী দলিলৰ জৰিয়তে ১নং মোকাবিলা বিবাদীৰ পিতৃ ২নং বিবাদীয়ে যে ১৮,০০০/– টকাৰ মূল্যৰ বিনিময়ত ১নং মোকাবিলা বিবাদীৰ নামত তফছিল 'খ'ত বৰ্ণিত মাটি (ইয়াৰ পিছত গোচৰীয় মাটি বুলি কোৱা হ'ব) ক্ৰয় কৰিছিল

আৰু ফলস্বৰূপে উক্ত ১নং মোকাবিলা বিবাদীৰ বাদী/আপিলকাৰীৰ সপক্ষে বিক্ৰী দলিল কাৰ্যকৰী কৰাৰ বাবে কোনো স্বত্ব, স্বামীত্ব আৰু স্বাৰ্থ নাছিল। উক্ত লিখিত জবাবত এইটোও অভিযোগ কৰা হৈছে যে ৮/১১/২০০০ তাৰিখৰ পঞ্জীয়নভুক্ত ২৪৯৯/২০০০ নং বিক্ৰী দলিল যোগে ক্ৰয় কৰা অনুসৰি গোচৰীয় মাটিখিনি ২নং বিবাদীৰ দখলত আছিল, আৰু উক্ত মাটি ১নং মোকাবিলা বিবাদীৰ দখলত কেতিয়াও নাছিল। এইটো অৱস্থাত ইয়াত উল্লেখ কৰাটো প্ৰাসংগিক হ'ব যে লিখিত জবাবৰ ৫নং দফাত ১নং আৰু ২নং বিবাদী য়ে স্পষ্টভাৱে উল্লেখ কৰিছে যে "১নং মোকাবিলা বিবাদীয়ে বাদীজনক মাটিখিনি প্ৰকৃততে হস্তান্তৰ কৰিছে নে নাই সেয়া নিশ্চিত নহয়"। এইদৰে উক্ত জবাবৰ পৰা এইটো সহজে বুজিব পাৰি যে বাদীৰ সপক্ষে ১নং মোকাবিলা বিবাদীয়ে বিক্ৰী দলিলখন কাৰ্যকৰী কৰাটো স্পষ্টভাৱে অস্বীকাৰ কৰা হোৱা নাছিল। এজনো মোকাবিলা বিবাদীয়ে কোনো লিখিত জবাব দাখিল কৰা নাছিল।

৬) দুয়োপক্ষৰ বাদ-বিবাদৰ ভিত্তিত বিচাৰ আদালতে ৬টা বিচাৰ্য বিষয় (Issues) ফ্ৰেম কৰিছিল যিবোৰ সুবিধাৰ বাবে ইয়াত তলত উদ্ধৃত কৰা হৈছে:

১) গোচৰীয় মাটিখিনি ২নং বিবাদীয়ে ৩নং মোকাবিলা বিবাদী মালেক আলীৰ পৰা ২নং বিবাদীৰ পুত্ৰ ১নং মোকাবিলা বিবাদীৰ নামত ক্ৰয় কৰিছিল নেকি?

২) গোচৰীয় মাটি ২নং বিবাদী বা ১নং মোকাবিলা বিবাদীৰ দখলত আছিল নেকি?

৩)১নং মোকাবিলা বিবাদীৰ গোচৰীয় জমি বিক্ৰী কৰাৰ বাবে সেই জমিৰ দখলৰে সৈতে কোনো স্বত্ব, স্বামীত্ব আৰু স্বাৰ্থ আছিলনে?

৪) ১নং মোকাবিলা বিবাদীয়ে গোচৰীয় জমি বিক্ৰী কৰাৰ পিছত বাদীক গোচৰীয় মাটিৰ দখল প্ৰদান কৰিছিল নেকি?

৫) বিবাদীসকলে ১.৯.৯২ তাৰিখে 'খ' তফছিলত বৰ্ণিত মাটিত বাদীক গোচৰীয় মাটিৰ পৰা উচ্ছেদ কৰি তম্বু স্থাপন কৰিছিল নেকি?

৬) বাদীয়ে প্ৰাৰ্থনা কৰা ধৰণে ডিক্ৰীৰ অধিকাৰী নে?

৭) বিচাৰ্য বিষয়(Issues) ফ্ৰেম কৰাৰ পিছত বাদীসকলে ৪ জন সাক্ষীক আদালতত হাজিৰ কৰাইছিল আৰু ৪খন নথি প্ৰদৰ্শন কৰিছিল যিবোৰ প্ৰদৰ্শক ১ৰ পৰা প্ৰদৰ্শক-৪ হিচাপে চিহ্নিত কৰা হৈছিল। বিবাদীসকলেও ৪ জন সাক্ষীক আদালতত হাজিৰ কৰাইছিল আৰু তেওঁলোকৰ নথিসমূহ প্ৰদৰ্শক 'ক' 'খ', 'গ' আৰু 'ঘ' হিচাপে চিহ্নিত কৰি প্ৰদৰ্শন কৰে। ইয়াত উল্লেখ কৰাটো প্ৰাসংগিক যে বাদী পক্ষৰ ২নং সাক্ষীয়ে প্ৰদৰ্শক-২ খন (০৫/০৮/২০০২ তাৰিখে সম্পন্ন কৰা বিক্ৰীৰ দলিল) পঞ্জীয়কৰ কাৰ্যালয়ে সংৰক্ষণ কৰা পঞ্জীয়ণ বহীখনৰ পৰা প্ৰমাণিত কৰিছিল আৰু বিবাদী সকলেও সেইখন প্ৰদৰ্শক-২কে প্ৰদৰ্শিত কৰি প্ৰদৰ্শক-'খ' হিচাপে চিহ্নিত কৰাইছিল । বিচাৰ আদালতে ২০/০১/২০০৬ তাৰিখে এক ৰায় আৰু ডিক্ৰী প্ৰস্তুত কৰি গোচৰটো খাৰিজ কৰে আৰু কেবাটাও সিদ্ধান্তত উপনীত হৈছিল। তাৰ ভিতৰত এটা সিদ্ধান্ত হল যে ৩নং বিবাদীয়ে ১নং মোকাবিলা বিবাদীৰ সপক্ষে ৮/১১/২০০০ তাৰিখে ২৪৪৯/২০০০ নং বিক্ৰী দলিল যোগে কৰা লেনদেন এটা বেনামি লেনদেন আৰু পৰিণামস্বৰূপে ১নং মোকাবিলা বিবাদীয়ে বাদীৰ সপক্ষে ৫/৮/২০০২ তাৰিখে ১৯০২/২০০২ নং বিক্ৰী দলিল যোগে মাটি হস্তান্তৰ কৰাৰ কোনো অধিকাৰ নাছিল। ইয়াৰ উপৰিও বিচাৰ আদালতে মূল বিক্ৰীৰ দলিলখন দাখিল কৰা হোৱা নাছিল বুলিও গোচৰ খাৰিজ কৰিছিল যিটো প্ৰাথমিক প্ৰমাণ আছিল।

৮) বিচাৰ আদালতৰ উক্ত ৰায় আৰু ডিক্ৰীত অসন্তুস্ট হৈ আপীলকাৰীয়ে বৰপেটাৰ জিলা ন্যায়াধীশৰ আদালতত আপীল দাখিল কৰে আৰু প্ৰথম আপীল আদালতেও উক্ত আপীল খাৰিজ কৰি বিচাৰ আদালতৰ ৰায় আৰু ডিক্ৰী বাহাল ৰাখে। ইয়াৰ বিপৰীতে আপীলকাৰীয়ে ১৯০৮ চনৰ দেৱানী কাৰ্য্য বিধিত ১০০ নং ধাৰাৰ বিধান অনুসৰি এই আদালতত ওপৰত উল্লেখ কৰা আইনৰ দুটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ ওপৰত এই আপীল দাখিল কৰিছে ।

৯) মই আপীলকাৰীৰ বিদ্বান অধিবক্তা এম.এ. শ্বেখ ডাঙৰীয়াৰ যুক্তি শুনিছো । তেওঁ এইটো উত্থাপন কৰিছে যে যদিও নিম্ন আদালতসমূহে প্ৰদান কৰা ৰায়সমূহ একেধৰণৰ তথ্যৰ ওপৰত প্ৰতিস্থিত, কিন্তু নিম্ন দুয়োখন আদালতে এইটো বিবেচনা কৰাত ব্যৰ্থ হৈছিল যে ২নং বিবাদীয়ে অভিযোগ কৰিব নোৱাৰে যে তেওঁ ১নং মোকাবিলা বিবাদীৰ সপক্ষে বেনামী লেনদেন কৰিছিল আৰু ইয়াৰ জৰিয়তে ১নং মোকাবিলা বিবাদীৰ দ্বাৰা বাদীৰ সপক্ষে সম্পাদিত বৈধ বিক্ৰী দলিল বাতিল কৰিবলৈ সুবিধা লাভ কৰিছিল, আৰু সেয়াও উক্ত বিক্ৰী দলিলখনক প্ৰত্যাহ্বান নজনোৱাকৈ। তেওঁ লগতে উল্লেখ কৰে যে সেয়েহে এই আদালতত ইতিমধ্যে আইনৰ প্ৰশ্ন উত্থাপিত হৈছে যে ২নং বিবাদীয়ে গোচৰীয় ভূমি বেনামীভাৱে ক্ৰয় কৰিছিল, এইটো ভিত্তি গ্ৰহণ কৰি গোচৰীয় ভূমিৰ ওপৰত ২নং বিবাদীয়ে কোনো অধিকাৰ সাব্যস্ত কৰিব পাৰে নেকি । তেওঁ আৰু যুক্তি দাঙি ধৰিছিল যে দুয়োখন নিম্ন আদালতে বিবেচনা কৰাত ব্যৰ্থ হৈছিল যে ০৫/০৮/২০০২ তাৰিখৰ ১৯০২/২০০২ নং বিক্ৰী দলিল খন ১নং মোকাবিলা বিবাদীয়ে বাদীৰ সপক্ষে সম্পাদন কৰাটো স্পষ্টভাৱে অস্বীকাৰ কৰা হোৱা নাছিল আৰু তাৰ পিছত বিক্ৰী দলিলৰ প্ৰমাণিত প্ৰতিলিপি পঞ্জীয়ণ বহীৰ পৰা প্ৰমাণিত হোৱাৰ পিছত যথাযথভাৱে প্ৰদৰ্শক-২ হিচাপে প্ৰদৰ্শন কৰা হৈছিল যিতো প্ৰদৰ্শক-২ত থকা অনুমোদনৰ পৰাই ভালদৰে দেখা পোৱা যায় আৰু ইয়াৰ উপৰিও বাদী পক্ষৰ ২নং

সাক্ষীয়ে বিক্ৰী দলিলৰ সমৰ্থনত সাক্ষ্য দিছিল। তেওঁ লগতে এইটোও উত্থাপন কৰে যে বিক্ৰী দলিলখন প্ৰদৰ্শক-'খ' হিচাপেও প্ৰদৰ্শন কৰা হৈছিল আৰু সেয়েহে নিম্ন আদালতসমূহে বাদীৰ গোচৰটো খাৰিজ কৰাটো উচিত হোৱা নাই এই ভিত্তিত যে ০৫/0৮/২০০২ তাৰিখে সম্পাদন কৰা পঞ্জীয়নভুক্ত ১৭০২/২০০২ নং বিক্ৰি দলিলখন গোচৰত আইন অনুসৰি প্ৰমাণিত কৰা হোৱা নাই।

১০) আনহাতে, বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী এ. চি. শৰ্মাই যুক্তি প্ৰদৰ্শন কৰি কয় যে বাদীৰ গোচৰ প্ৰমাণ কৰাৰ দায়িত্ব বাদীৰ নিজৰ ওপৰত। লগতে এইটোও প্ৰয়োজনীয় যে তেওঁ ইয়াক আইন অনুসৰি প্ৰমাণ কৰা লাগিব আৰু এনে কৰিবলৈ বাদীজনে বিক্ৰী দলিলৰ সন্দৰ্ভত প্ৰাথমিক প্ৰমাণ উপস্থাপন কৰিব লাগিব, যিটো হৈছে মূল বিক্ৰি দলিল । তেওঁ লগতে উল্লেখ কৰে যে উক্ত বিক্ৰী দলিলখন সাক্ষ্য আইনৰ ৬৭ নং ধাৰা অনুসৰণ কৰিও প্ৰমাণ কৰিব লাগিব আৰু ফলস্বৰূপে নিম্ন আদালতে বিক্ৰী দলিলখন প্ৰমাণ নকৰাৰ ভিত্তিত বাদীৰ গোচৰ খাৰিজ কৰাটো সঠিক আছিল । তেওঁ আৰু উল্লেখ কৰে যে বাদীয়ে ভূমিৰ ওপৰত কোনো অধিকাৰ লাভ কৰা নাছিল যিহেতু ১নং মোকাবিলা বিবাদীৰ কোনো স্বত্ব, স্বামীত্ব আৰু স্বাৰ্থ নাছিল, কিয়নো ৮/১১/২০০২ তাৰিখে বিক্ৰী দলিল (প্ৰদৰ্শক 'ক') সম্পাদনৰ উদ্দেশ্যে ব্যয় কৰা ধন ২নং বিবাদীয়ে পৰিশোধ কৰিছিল আৰু সেয়েহে নিম্ন আদালতসমুহে এই গোচৰৰ আপীলকাৰীৰ উক্ত আদালতসমূহত তৰা মোকৰ্দমা আৰু আপীল খাৰিজ কৰাটো সঠিক আছিল।

১১) মই দুয়োটা পক্ষৰ পৰা বিদ্বান অধিবক্তাই উত্থাপন কৰা যুক্তি মই সতৰ্কতাৰে বিবেচনা কৰিছো। মই পক্ষসমূহৰ বাদ-বিবাদ আৰু প্ৰমাণ সম্বলিত নথিসমূহো পৰ্যবেক্ষণ কৰিছো।

১২) সম্পত্তি হস্তান্তৰ আইন, ১৮৮২ (ইয়াৰ পিছত ১৮৮২ চনৰ আইন হিচাপে উল্লেখ কৰা হৈছে) স্থাৱৰ বা অস্থাৱৰ দুয়োটা ধৰণৰ সম্পত্তিৰ হস্তান্তৰৰ সৈতে সম্পৰ্কিত। ১৮৮২ চনৰ

উক্ত আইনৰ ৫ নং ধাৰাই "সম্পত্তিৰ হস্তান্তৰ" ক এনে এক আইন হিচাপে সংজ্ঞায়িত কৰিছে যাৰ দ্বাৰা এজন জীৱিত ব্যক্তিয়ে বৰ্তমান বা ভৱিষ্যতে আন এজন বা ততোধিক জীৱিত ব্যক্তিলৈ বা নিজলৈ বা নিজৰ লগতে আন এজন বা ততোধিক জীৱিত ব্যক্তিলৈ সম্পত্তি হস্তান্তৰ কৰা কাৰ্য্য, আৰু "সম্পত্তি হস্তান্তৰ" কৰাৰ অৰ্থ হৈছে এনে কাৰ্য সম্পাদন কৰা। বিক্ৰী হৈছে সম্পত্তি স্থানান্তৰ কৰাৰ এক পদ্ধতি। ১৮৮২ চনৰ আইনৰ ৫৪ নং ধাৰাত "বিক্ৰী" ৰ সংজ্ঞা উল্লেখ আছে আৰু সুবিধাৰ বাবে উক্ত সংজ্ঞাটো তলত উল্লেখ কৰা হৈছেঃ-

“৫৪.“বিক্ৰী"ৰ সংজ্ঞা দিয়া হৈছে এইদৰে- "বিক্ৰী" হৈছে পৰিশোধ কৰা বা পৰিশোধৰ প্ৰতিশ্ৰুতি দিয়া বা আংশিকভাৱে পৰিশোধ কৰা আৰু আংশিকভাৱে পৰিশোধৰ প্ৰতিশ্ৰুতি দিয়া মূল্যৰ বিনিময়ত কৰা মালিকীস্বত্বৰ হস্তান্তৰ । বিক্ৰী কেনেকৈ কৰা হয়— এনে হস্তান্তৰ এশ টকা আৰু তাতকৈ অধিক মূল্যৰ অস্তিত্ব থকা স্থাবৰ সম্পত্তিৰ ক্ষেত্ৰত, বা ইয়াৰ ওলোটা বা অন্য অস্তিত্ব নথকা বস্তুৰ ক্ষেত্ৰত, কেৱল পঞ্জীয়নভুক্ত দলিলৰ দ্বাৰাহে কৰিব পাৰি। এশ টকাতকৈ কম মূল্যৰ অস্তিত্ব থকা স্থাবৰ সম্পত্তিৰ ক্ষেত্ৰত, এনে হস্তান্তৰ পঞ্জীয়নকৃত দলিলৰ দ্বাৰা বা সম্পত্তি প্ৰদানৰ দ্বাৰা কৰিব পাৰি। বেচোঁতাই যেতিয়া ক্ৰেতা বা তেওঁ নিৰ্দেশিত কৰা ব্যক্তিজনক সম্পত্তিৰ দখল প্ৰদান কৰে তেতিয়া অস্তিত্ব থকা স্থাবৰ সম্পত্তিৰ হস্তান্তৰ হয়। বিক্ৰী চুক্তি—স্থাবৰ সম্পত্তি বিক্ৰীৰ চুক্তি হৈছে এনে এক চুক্তি যিখন সম্পত্তি বেচা-কিনা কৰা পক্ষসমূহৰ মাজত নিৰ্ধাৰিত হোৱা চৰ্ত অনুসৰি কৰা হয়। এই চুক্তিয়ে এনে সম্পত্তিৰ ওপৰত কোনো ধৰণৰ স্বাৰ্থ সৃষ্টি নকৰে বা মাচুল আৰোপ নকৰে।”

১৩) ওপৰত উল্লেখ কৰা ব্যৱস্থাসমূহৰ পৰা এইটো প্ৰকাশ্য যে বিক্ৰী হৈছে পৰিশোধ কৰা বা পৰিশোধৰ প্ৰতিশ্ৰুতি দিয়া বা আংশিকভাৱে পৰিশোধ কৰা আৰু আংশিকভাৱে পৰিশোধৰ প্ৰতিশ্ৰুতি দিয়া মূল্যৰ বিনিময়ত কৰা মালিকীস্বত্বৰ হস্তান্তৰ । ধাৰা ৫৪ ত

অন্তৰ্ভুক্ত বিক্ৰীৰ সংজ্ঞাটোৱে কেনেদৰে বিক্ৰী কৰা হয় সেয়াও নিৰ্ধাৰণ কৰে। এনে হস্তান্তৰ ১০০.০০ টকা আৰু তাতকৈ অধিক মূল্যৰ অস্তিত্ব থকা স্থাবৰ সম্পত্তিৰ ক্ষেত্ৰত, বা ইয়াৰ ওলোটা বা আকাৰ নথকা বস্তুৰ ক্ষেত্ৰত, কেৱল পঞ্জীয়নভুক্ত দলিলৰ দ্বাৰাহে কৰিব পাৰি। অৱশ্যে ১০০.০০ টকাতকৈ কম মূল্যৰ অস্তিত্ব থকা স্থাবৰ সম্পত্তিৰ ক্ষেত্ৰত, এনে হস্তান্তৰ পঞ্জীয়নভুক্ত দলিলৰ দ্বাৰা বা সম্পত্তি প্ৰদানৰ দ্বাৰা কৰিব পাৰি আৰু কেৱল এনে বাস্তৱ স্থাবৰ সম্পত্তিৰ ক্ষেত্ৰতহে দখল প্ৰদান কৰাটো প্ৰাসংগিক হৈ পৰে।

১৪) পঞ্জীয়ন আইন, ১৯০৮-ৰ ধাৰা ১৭-ত উল্লেখ কৰা হৈছে যে কোনবোৰ নথিৰ পঞ্জীয়ন বাধ্যতামূলক আৰু কোনবোৰ বিক্ৰী দলিল আইনৰ ধাৰা ১৭ (১) (খ)-ৰ পৰিসৰৰ ভিতৰত পৰে। পঞ্জীয়ন আইন, ১৯০৮ৰ ৪৮নং ধাৰাত উল্লেখ আছে যে উক্ত আইনখনৰ অধীনত যথাযথভাৱে পঞ্জীয়ন কৰা যিকোনো স্থাৱৰ বা অস্থাৱৰ সম্পত্তিৰ সৈতে জড়িত সকলো নন্-টেষ্টমেন্টৰী নথি এনে সম্পত্তিৰ সৈতে জড়িত যিকোনো আদেশ, চুক্তি বা ঘোষণাৰ বিৰুদ্ধে কাৰ্যকৰী হ'ব আৰু ইয়ে আপাততঃ বলবৎ হৈ থকা আইনৰ অধীনত হোৱা হস্তান্তৰক বৈধতা প্ৰদান কৰে । ১৯০৮ চনৰ পঞ্জীয়ন আইনৰ ৪৯ নং ধাৰাত কোনো নথিপত্ৰ পঞ্জীয়ন নকৰাৰ পৰিণতিৰ কথা উল্লেখ কৰা হৈছে।

১৫) ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি আৰু এই কথা বিবেচনা কৰি যে ৮/১১/২০০০ তাৰিখে সম্পাদন কৰা ২৪৪৯/২০০০নং বিক্ৰী দলিলখন ৩নং মোকাবিলা বিবাদীয়ে ১নং মোকাবিলা বিবাদীৰ সপক্ষে সম্পাদন কৰিছিল, তপচিল 'খ' ভূমিৰ অধিকাৰসমূহ ১নং মোকাবিলা বিবাদী সপক্ষে যথাযথভাৱে হস্তান্তৰ কৰা হৈছিল। ২নং বিবাদী, যিয়ে ১নং মোকাবিলা বিবাদীৰ হৈ ধন পৰিশোধ কৰা বুলি দাবী কৰে আৰু ৮/১১/২০০০ তাৰিখে পঞ্জীয়ন হোৱা ২৪৪৯/২০০০ নং বিক্ৰী দলিলৰ ভিত্তিত তেওঁ বিবাদিত মাটিৰ অধিকাৰো দাবী কৰে, মোৰ মতে তেওঁ ১নং মোকাবিলা বিবাদী সপক্ষে কৰা স্বত্বৰ হস্তান্তৰক অস্বীকাৰ কৰিব নোৱাৰে আৰু সেই

অনুসৰি, ১নং মোকাবিলা বিবাদীয়ে গোচৰীয় মাটিৰ মালিক আছিল আৰু তেওঁ বাদীৰ সপক্ষে ০৫/০৮/২০০২ তাৰিখে সম্পাদন কৰা বিক্ৰীৰ দলিলৰ ভিত্তিত স্বত্ব হস্তান্তৰ কৰাৰ অধিকাৰ আছিল। দুয়োখন নিম্ন আদালতে ৮/১১/২০০০ তাৰিখে পঞ্জীয়নভুক্ত হোৱা ২৪৪৯/২০০০নং বিক্ৰী দলিলৰ ওপৰত ১৮৮২ চনৰ আইনখনৰ লগতে পঞ্জীয়ন আইন, ১৯০৮ৰ ধাৰা ৪৮ৰ প্ৰভাৱ বিবেচনা কৰা নাছিল আৰু ফলস্বৰূপে ২নং বিবাদীজনক গোচৰীয় মাটিৰ মালিক বুলি ধৰি লৈ আইনৰ ভুল ব্যাখ্যা কৰিছিল । এনে পৰিস্থিতিত ২নং বিবাদীয়ে ১নং মোকাবিলা বিবাদীৰ নামত গোচৰীয় মাটি বেনামিভাৱে ক্ৰয় কৰা বুলি আবেদন কৰি গোচৰীয় মাটিৰ ওপৰত অধিকাৰ দাবী কৰিব পাৰে নেকি সেই সম্পৰ্কে উত্থাপন কৰা আইনৰ গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰ আপীলকাৰীৰ সপক্ষে দিয়া হয় আৰু সিদ্ধান্ত লোৱা হয় যে ১নং মোকাবিলা বিবাদীৰ ০৫/০৮/২০০২ তাৰিখে ১৯০২/২০০২ নং বিক্ৰী দলিল সম্পাদন কৰি আপীলকাৰীৰ সপক্ষে স্বত্ব হস্তান্তৰ কৰাৰ অধিকাৰ আছিল ।

১৬)পৰৱৰ্তী প্ৰশ্নটো, যিটো এই আদালতত উত্থাপন কৰাৰ লগতে ৩নং ইছ্যুৰ বিচাৰ্য্য বিষয়ত লিপিবদ্ধ কৰা আইনৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন যিটো হৈছে যে ১নং মোকাবিলা বিবাদীৰ বিবাদীয় জমি বিক্ৰী কৰাৰ বাবে সেই জমিৰ দখল ভোগৰ কোনো স্বত্ব, স্বামীত্ব আৰু স্বাৰ্থ নথকা বিষয়টো গোচৰৰ নথিত থকা সাক্ষ্যৰ বিৰুদ্ধ নেকি আৰু ইয়াৰ লগতে বিবাদীসকলৰ হৈ বিদ্বান অধিবক্তাই প্ৰদৰ্শন কৰা যুক্তি যে বাদীয়ে সাক্ষ্য আইনৰ ৬৭ নং ধাৰা অনুসৰি ৫/৮/২০০২ তাৰিখে সম্পাদিত পঞ্জীয়নভুক্ত ১৯০২/২০০২নং দলিলখন প্ৰমাণ কৰাত ব্যৰ্থ হৈছে, এই ক্ষেত্ৰত এইটো উল্লেখ কৰা প্ৰাসংগিক হ'ব যে বিবাদীসকলে বাদীৰ সপক্ষে ১নং মোকাবিলা বিবাদীয়ে কৰা বিক্ৰীৰ দলিলখন সম্পাদন কৰাৰ ক্ষেত্ৰত স্পষ্টভাৱে অস্বীকাৰ কৰা নাছিল। ইয়াৰ উপৰিও গোচৰৰ নথিত থকা সাক্ষ্যই স্পষ্টভাৱে দেখুৱায় যে প্ৰদৰ্শক-২ পঞ্জীয়ণকৃত বিক্ৰী দলিলৰ প্ৰমাণিত প্ৰতিলিপি যিথনক পঞ্জীয়ণ বহী পৰা

যথাযথভাৱে প্ৰমাণিত কৰা হৈছে, যিতো প্ৰদৰ্শক–২ত থকা অনুমোদনৰ পৰাই ভালদৰে দেখা পোৱা যায়, আৰু বিষয়টোৰ এই দিশটো বাদী পক্ষৰ ২নং সাক্ষীয়ে তেওঁৰ সাক্ষ্যৰে প্ৰমাণো কৰিছিল। সেই ক্ষেত্ৰত এইটো মন কৰাটো প্ৰাসংগিক হ'ব যে প্ৰদৰ্শক–৪ বিক্ৰীৰ ৰচিদখনও প্ৰমাণিত কৰা হৈছিল। কেৱল সেয়াই নহয়, বিবাদীসকলেও প্ৰদৰ্শক 'খ' হিচাপে ৫/৮/২০০২ তাৰিখে সম্পাদিত ১৯০২ নং বিক্ৰী দলিলখনকে প্ৰদৰ্শন কৰিছিল । ইয়াৰ উপৰিও এইটোও উল্লেখ কৰিবলগীয়া যে বিচাৰ আদালতে সাক্ষ্য হিচাপে নথিখনৰ গ্ৰহণযোগ্যতাৰ ক্ষেত্ৰত বিচাৰ আদালতৰ ন্যায়াধীশে প্ৰদৰ্শক–২ত সংক্ষিপ্ত স্বাক্ষৰ প্ৰদান কৰি গোচৰটোত প্ৰদৰ্শনী–২ক প্ৰমাণ হিচাপে যথাযথভাৱে গ্ৰহণ কৰিছিল। গোচৰৰ নথিসমূহেও কোনো ধৰণে দেখুৱাব পৰা নাই যে প্ৰাসংগিক সময়ত প্ৰদৰ্শক–২ ৰ গ্ৰহণযোগ্যতাৰ সন্দৰ্ভত কোনো আপত্তি উত্থাপন কৰা হৈছিল। ০৫.০৫.২০০২ তাৰিখে সম্পাদিত বিক্ৰী দলিলৰ প্ৰমাণিত প্ৰতিলিপি গ্ৰহণ আৰু চিহ্নিত কৰাটো বাদী/আপিলকাৰীক ০৫.০৮.২০০২ তাৰিখে সম্পাদিত বিক্ৰী দলিলৰ আনুসংগিক প্ৰমাণ দাখিল কৰিবলৈ অনুমতি দিয়াৰ সমান। এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ আৰ.ভি.ই. ভেংকটাচালা গৌণ্ডাৰ বনাম অৰুলমিগু বিশ্বেৰস্বামী, ভি.পি. টেম্পল আৰু আন এজন ((২০০৩) ৮ এছ.চি.চি. ৭৫২ প্ৰতিবেদিত) গোচৰত দিয়া ৰায়দান, বিশেষকৈ ১৯, ২০, ২১, ২২ আৰু ২৩ নং দফা এই গোচৰত অধিক প্ৰাসংগিক, তলত উদ্ধৃত কৰা হৈছে :–

> "১৯. দেৱানী কাৰ্য্য বিধিৰ ১৩নং আদেশৰ ৪নং নিয়ম অনুসৰি গোচৰত সাক্ষ্য হিচাপে গৃহিত প্ৰতিটো নথি আদালতে বা আদালতৰ হৈ অনুমোদিত কৰাৰ বিধান আছে, ন্যায়াধীশে স্বাক্ষৰ কৰা বা সংক্ষিপ্ত স্বাক্ষৰ কৰা এনে অনুমোদন নথিখনক সাক্ষ্য হিচাপে গ্ৰহণ কৰাৰ সমান। নথিখনৰ গ্ৰহণযোগ্যতাৰ ওপৰত কিবা আপত্তি থাকিলে, তাক এনে অনুমোদন দিয়াৰ আগতে উত্থাপন কৰিব লাগে আৰু আদালতেও গ্ৰহণযোগ্যতাৰ প্ৰশ্নটোৰ

ওপৰত নিজৰ মতামত সৃষ্টি কৰিবলৈ বাধ্য, আৰু আদালতে এই মতামত প্ৰকাশ কৰিব লাগে যিটোৰ ওপৰত নিৰ্ভৰ কৰিব যে অনুমোদন দিয়া নথিখনক সাক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছে নে হোৱা নাই । পিছৰটোৰ ক্ষেত্ৰত আদালতে যিজন ব্যক্তিৰ জিম্মাৰ পৰা নথিখন দাখিল কৰা হৈছিল তেওঁক ঘূৰাই দিব পাৰে।

২০) বিবাদী-উত্তৰদাতাৰ বিদ্বান অধিবক্তাই ৰোমান কেথলিক মিছন বনাম মাদ্ৰাজ চৰকাৰ আৰু অন্যান্য (এ.আই.আৰ. ১৯৬৬ এছ. চি. ১৪৫৭) গোচৰৰ ৰায়ৰ ওপৰত আস্থা ৰাখি কৈছিল যে গ্ৰহণযোগ্য নোহোৱা যিকোনো নথি গোচৰৰ নথিত দাখিল কৰিলেও, সেই নথিক বিবেচনাৰ পৰা বাদ দিব লাগিব। ওপৰোক্ত গোচৰত এনেদৰে নিৰ্ধাৰিত আইনৰ প্ৰস্তাৱৰ সৈতে আমাৰ কোনো মতানৈক্য নাই। অৱশ্যে, এইটো গোচৰ হৈছে এনে এটা গোচৰ য'ত আইনৰ সঠিক স্থিতিক নিখুত কৰাৰ প্ৰয়োজন। সাধাৰণতে সাক্ষ্যৰ গ্ৰহণযোগ্যতাৰ ওপৰত আপত্তি সাক্ষ্য দাখিল কৰাৰ সময়তহে লব লাগে, পৰৱৰ্তী সময়ত নহয়। সাক্ষ্যত নথিপত্ৰৰ গ্ৰহণযোগ্যতা সম্পৰ্কে আপত্তিবোৰক দুটা শ্ৰেণীত বিভক্ত কৰিব পাৰিঃ- (ক) এটা আপত্তি হল যে প্ৰমাণ কৰিবলৈ বিচৰা নথিখনেই সাক্ষ্যত গ্ৰহণযোগ্য নহয়; আৰু (খ) য'ত আপত্তিটোৱে সাক্ষ্যত নথিখনৰ গ্ৰহণযোগ্যতাৰ ওপৰত বিবাদৰ সৃষ্টি নকৰে কিন্তু ইয়াক প্ৰমাণ কৰাৰ পদ্ধতিটো অনিয়মিত বা অপৰ্যাপ্ত বুলি কৰা অভিযোগক নিৰ্দেশ কৰে । প্ৰথমটোৰ ক্ষেত্ৰত, কেৱল এখন নথিক 'প্ৰদৰ্শক" হিচাপে চিহ্নিত কৰাৰ বাবেই ইয়াৰ গ্ৰহণযোগ্যতাৰ ওপৰত কৰা আপত্তি বাদ দিয়া নহয়, আৰু পিছৰ পৰ্যায়তো বা আনকি আপীল বা পুনৰীক্ষণতো ইয়াক উত্থাপন কৰিব পৰা যায়। পিছৰটোৰ ক্ষেত্ৰত, সাক্ষ্য দাখিল কৰাৰ আগতে আপত্তি গ্ৰহণ কৰিব লাগে, আৰু এবাৰ নথি এখন সাক্ষ্য হিচাপে গ্ৰহণ কৰি প্ৰদৰ্শক হিচাপে চিহ্নিত কৰাৰ

পিছত, ইয়াক সাক্ষ্য হিচাপে গ্ৰহণ কৰা উচিত নাছিল বা নথিখন প্ৰমাণ কৰাৰ বাবে গ্ৰহণ কৰা পদ্ধতিটো অনিয়মিত, এই বুলি কৰা আপত্তি নথিখন প্ৰদৰ্শক হিচাপে চিহ্নিত কৰাৰ পিছত কোনো পৰ্যায়ত উত্থাপন কৰিবলৈ অনুমতি দিব নোৱাৰি। পিছৰ প্ৰস্তাৱটো হৈছে নিৰপেক্ষ খেলৰ এটা নিয়ম। গুৰুত্বপূৰ্ণ পৰীক্ষাটো হ'ল যে যদি আপত্তি উপযুক্ত সময়ত লোৱা হয় তেন্তে সাক্ষ্য দাখিল কৰা পক্ষটোক দোষটো নিৰাময় কৰিবলৈ আৰু নথি প্ৰমাণ কৰাৰ পদ্ধতিটো নিয়মীয়া ধৰণৰ বুলি কবলৈ সক্ষম কৰে নেকি। আপত্তি বাদ দিয়াটো গুৰুতৰ হৈ পৰে কাৰণ তেওঁৰ বিফলতাৰ ফলত আপত্তি কৰাৰ অধিকাৰ থকা পক্ষই সাক্ষ্য প্ৰদান কৰা পক্ষক এই ধাৰণাৰ ওপৰত কাৰ্য কৰিবলৈ অনুমতি দিয়ে যে বিপৰীত পক্ষই প্ৰমাণৰ পদ্ধতিৰ প্ৰতি সচেতন নহয়। আনহাতে, তাৎক্ষণিকভাৱে কৰা আপত্তিয়ে সাক্ষ্য প্ৰমাণ দাখিল কৰা পক্ষটোক দুটা কাৰণত ক্ষতি নকৰে, প্ৰথমতে- এনেধৰণৰ আপত্তিয়ে আদালতক গ্ৰহণযোগ্যতাৰ ওপৰত সেই সময় আৰু সেই স্থানতেই বিবেচনা কৰিবলৈ আৰু সিদ্ধান্ত ঘোষণা কৰিবলৈ সক্ষমতা প্ৰদান কৰে; আৰু দ্বিতীয়তে, সাক্ষ্য প্ৰমাণ দাখিল কৰা পক্ষই সাক্ষ্য প্ৰমাণ দাখিলৰ বাবে অবলম্বন কৰা পদ্ধতিৰ ক্ষেত্ৰত আদালতৰ সিদ্ধান্ত যদি পক্ষটোৰ বিৰুদ্ধে যায়, তেন্তে সাক্ষ্য প্ৰমাণ নিয়মীয়া ধৰণে বা আন পদ্ধতিৰে দাখিল কৰাৰ বাবে আদালতৰ পৰা অনুমতি বিচৰাৰ সুযোগ সাক্ষ্য প্ৰমাণ দাখিল কৰা পক্ষই পাব আৰু ইয়াৰ লগতে বিপৰীত পক্ষই উত্থাপন কৰা আপত্তিও আতৰি যাব । এনে কাৰ্য আৰু পদ্ধতি দুয়োটা পক্ষৰ বাবে ন্যায়সংগত। ইয়াত ওপৰত উল্লেখ কৰা দুই ধৰণৰ আপত্তিৰ দ্বিতীয়টোৰ ক্ষেত্ৰত, দ্ৰুত আৰু সময়োপযোগী আপত্তি উত্থাপন কৰাত ব্যৰ্থ হোৱাটো হ'ল এখন নথি, যিখনকে প্ৰমাণত গ্ৰহণযোগ্য বুলি প্ৰমাণিত কৰিব বিচৰা হয়, সেইখন নথিক

আনুষ্ঠানিকভাৱে প্ৰমাণ কৰাৰ ওপৰত জোৰ দিয়াৰ প্ৰয়োজনীয়তাৰ ৰেহাই দিয়াৰ সমতুল্য । প্ৰথমটোৰ ক্ষেত্ৰত, উচ্চতৰ আদালতত আপত্তি উত্থাপন কৰাৰ ক্ষেত্ৰত সন্মতি কোনো বাধা নহব।

২১) পেডমেন আৰু অন্যান্য বনাম হানৱান্তা আৰু অন্যান্য [এ. আই. আৰ. ১৯১৫ পি.চি. ১১১] গোচৰত প্ৰথমবাৰৰ বাবে প্ৰিভি কাউন্সিলে আপীলকাৰীক আপীল আবেদনত ইচ্ছাপত্ৰ (উইল)ৰ পঞ্জীয়নভুক্ত প্ৰতিলিপিৰ গ্ৰহণযোগ্যতাৰ ওপৰত আপত্তি ল'বলৈ অনুমতি দিয়া নাছিল। এই আপত্তি বিচাৰ আদালতত লোৱাটো উচিত আছিল বুলি সিদ্ধান্ত লোৱা হৈছিল । এইটো লক্ষ্য কৰা হৈছিল যে–

"বিবাদীসকলে এতিয়া মেজেষ্টী ইন কাউন্সিলৰ ওচৰত আপীল দাখিল কৰিছে আৰু আপীলত গোচৰটোৰ বিষয়ে তেওঁলোকৰ হৈ বিশদভাৱে যুক্তি আগবঢ়োৱা হৈছে। যুক্তি প্ৰদৰ্শনৰ কালছোৱাত আহ্বান জনোৱা হৈছিল যে ১৮৯৮ চনৰ ইচ্ছাপত্ৰ (উইল)ৰ পঞ্জীয়নভুক্ত প্ৰতিলিপি এখন গ্ৰহণযোগ্যতাৰ বাবে থকা পৰ্যাপ্ত ভিত্তিৰ দিশটো নোচোৱাকৈ ইয়াক সাক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছিল। অৱশ্যে, পঞ্জীয়কৰ কাৰ্যালয়ৰ পৰা প্ৰাপ্ত প্ৰতিলিপিক সাক্ষ্য হিচাপে দাখিল কৰাৰ বিৰুদ্ধে গোচৰ দাখিল কৰা প্ৰথম আদালতত কোনো আপত্তি দৰ্শোৱা দেখা নাযায়। সেই সময়ত এনে আপত্তি কৰা হ'লে প্ৰথম পৰ্যায়ত গোচৰটোৰ বিচাৰ কৰা জিলা ন্যায়াধীশে হয়তো দেখিলেহেঁতেন যে তাত থকা অভাৱটো পূৰণ কৰা হৈছে। মহামান্য বিচাৰপতিসকলে ভাবে যে এই বিবাদৰ কোনো ভিত্তি নাই।"

২২) পি. চি. পুৰুষোথম ৰেডিয়াৰ বনাম এছ পেৰুমাল [১৯৭২ (২) এছ.চি.আৰ. ৬৪৬] গোচৰত এই আদালতে একেধৰণৰ মতামতে প্ৰকাশ

কৰিছে। এই গোচৰ আৰক্ষীৰ প্ৰতিবেদনসমূহ কোনো আপত্তি অবিহনে সাক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছিল আৰু প্ৰতিবেদনসমূহ গ্ৰহণযোগ্যতা সম্পৰ্কে আপীলত উক্ত আপত্তিটো গ্ৰহণ কৰিবলৈ বিচৰা হৈছিল। যুক্তিটো নাকচ কৰি এইটো পৰ্যবেক্ষণ কৰা হৈছিলঃ "এই গোচৰ নিষ্পত্তি কৰাৰ আগতে প্ৰতিবাদীৰ হৈ বিদ্বান অধিবক্তা শ্ৰীৰামমুৰ্তিয়ে প্ৰদৰ্শন এটা যুক্তি ইয়াত উল্লেখ কৰাটো প্ৰয়োজনীয়। তেওঁ উল্লেখ কৰিছিল যে পূৰ্বতে উল্লেখ কৰা আৰক্ষী প্ৰতিবেদনসমূহ সাক্ষ্য হিচাপে গ্ৰহণযোগ্য নহয় যিহেতু মুখ্য-কনষ্টেবলসকলক সামৰি লোৱা উক্ত বৈঠকসমূহৰ বিষয়টো এই গোচৰত পৰীক্ষা কৰা হোৱা নাই। সেই প্ৰতিবেদনসমূহ কোনো আপত্তি অবিহনে চিহ্নিত কৰা হৈছিল। সেয়েহে প্ৰতিবাদীসকলে তেওঁলোকৰ গ্ৰহণযোগ্যতাৰ ওপৰত আপত্তি কৰিব নোৱাৰিব। ভগত ৰাম বনাম খেতু ৰাম আৰু অন্যান্য দ্ৰষ্টব্য। (এ.আই.আৰ. ১৯২৯ পি.চি. ১১০)।"

২৩) যিহেতু কোনো আপত্তি নোহোৱাকৈ নথি নং এ–৩০ আৰু এ–৩৪ প্ৰমাণ হিচাপে গ্ৰহণ কৰা হৈছিল, সেয়েহে উচ্চ ন্যায়ালয়ে এই নথিপত্ৰসমূহ, যিবোৰৰ মূল নথি দাখিল কৰা হোৱা নাছিল, সেইবোৰ ফটোকপি বুলি ধৰি লৈ ভুল কৰিছিল।”

১৭) উচ্চতম ন্যায়ালয়ৰ ন্যায়িক ঘোষণাৰ প্ৰতি লক্ষ্য ৰাখি আৰু এইটো বিবেচনা কৰি যে প্ৰদৰ্শক–২ থন বাদী পক্ষৰ ২নং সাক্ষীৰ জৰিয়তে পঞ্জীয়ণ বহীৰ পৰা প্ৰমাণিত কৰা হৈছিল আৰু লগতে এই কথাটোও যে প্ৰদৰ্শক–২ থন প্ৰদৰ্শক–‘খ’ হিচাপে বিবাদীসকলেও প্ৰদৰ্শন কৰিছিল, মোৰ মতে, নিম্ন আদালতসমূহে গোচৰৰ নথিত থকা সাক্ষ্যসমূহ ভুলকৈ পঢ়াত আইনৰ ভুল ব্যাখ্যা কৰিছিল যাৰ ফলস্বৰূপে বাদীজনৰ গোচৰ খাৰিজ হৈছিল।

১৮) ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট যে ১নং মোকাবিলা বিবাদীৰ যথাযথভাৱে মাটিখিনি বাদীক হস্তান্তৰ কৰাৰ বাবে মাটিখিনিৰ ওপৰত স্বত্ব, স্বামীত্ব আৰু স্বাৰ্থ আছে, আৰু সাক্ষ্য ভুলকৈ পঢ়ি নিম্ন আদালতসমূহে এনেদৰে পোৱা তথ্যসমূহ বিকৃত তথ্যৰ বাহিৰে আন একো নহয় ।

১৯) ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি, যিহেতু আইনৰ দুয়োটা গুৰুত্বপূৰ্ণ প্ৰশ্ন বাদী/আপিলকাৰীৰ সপক্ষে সিদ্ধান্ত লোৱা হয়, এই আপীল মঞ্জুৰ কৰি বাদীয়ে প্ৰাৰ্থনা কৰা ধৰণে সকাহ প্ৰদান কৰা হয়। ওপৰত উল্লেখ কৰা পৰ্যবেক্ষণসমূহৰ সৈতে সংগতি ৰাখি ন্যায়ালয়ৰ পঞ্জীয়ণ বিভাগক ডিক্ৰী প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়া হল।

২০. নিম্ন আদালতৰ গোচৰৰ নথি প্ৰেৰণ কৰক।

ন্যায়াধীশ

মোকাবিলা সহায়ক